بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ১৫ ফেব্রুৱাৰীত মছজিদ বায়তুল ফুতুহ মৌৰডনৰ (বৃটইনৈত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজি যি সকল চাহাবা কেৰামৰ বিষয়ে আলোচনা কৰিম তাৰ ভিতৰত প্ৰথম জনৰ নাম হ'ল হজৰত খালিদ বিন কায়েছ (ৰাঃ)। খজৰজ কবিলাৰ এটা শাখা বনু বিয়াজাৰ সৈতে হজৰত খালিদ বিন কায়েছৰ সম্পৰ্ক আছিল। তেখেতৰ দেউতাকৰ নাম আছিল কায়েছ বিন মালিক আৰু মাকৰ নাম আছিল ছালমা বিনতে হাৰছা । এখেত (ৰাঃ)য়ে সত্তৰ চাহাবাৰ সৈতে বয়াতে উকবাত অংশ গ্ৰহন কৰিছিল। তেখেতে বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত যোগদান কৰিছিল।

দ্বিতীয় জন চাহাবী আছিল হজৰত হাৰছা বিন খজামাহ (ৰাঃ)। এখেত আনছাৰী আছিল আৰু আবু বশিৰ তেখেতৰ উপাধি আছিল। আনছাৰৰ কবিলা খজৰজৰ সৈতে তেখেতৰ সম্পৰ্ক আছিল। তেখেত (ৰাঃ) বনু আবিদ আল আশহালৰ বন্ধু আছিল। তেখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধ অহুদৰ যুদ্ধ খন্দকৰ যুদ্ধ আৰু বাকী যুদ্ধবোৰত আঁহজৰত (ছাঃ) ৰ লগত যোগ দিছিল। ৰছুলুল্লাহ (ছাঃ) য়ে হজৰত হাৰছা বিন খজামাহ আৰু হজৰত আয়াছ বিন বকিৰৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিছিল। তবুকৰ যুদ্ধৰ সময়ত যেতিয়া ৰছুলুল্লাহ (ছাঃ) ৰ উটনী হেৰুৱাইছিল তেতিয়া মুনাফিক সকলে তেখেত (ছাঃ) ৰ বিষয়ে সমালোচনা কৰিছিল যে তেখেত (ছাঃ) ৰ উটনীৰ খবৰ নাই আকৌ আচমানৰ খবৰ কেনেকৈ জানিব পাৰে। যেতিয়া এইবোৰ কথা আঁহজৰত (ছাঃ) ৰ কাণ পাইছিল গৈ তেতিয়া তেখেত (ছাঃ) য়ে কৈছিল যে মই সেইবোৰ কথাহে জানো, যিবোৰৰ বিষয়ে খোদা তায়লা মোক খবৰ দিয়ে আৰু কৈছিল যে এতিয়া খোদা তায়লা মোক উটনী সম্পৰ্কে খবৰ দিছে যে তাই পথাৰৰ অমুক ঠাইত আছে। সেই মতেই হজৰত হাৰছা বিন খজামাহ তেখেত (ছাঃ) ৰ (কোৰা মতে) উটনী সেই ঠাইৰ পৰা বিচাৰি লৈ আনিছিল। ৪০ হিজৰীত হজৰত আলি (ৰাঃ) ৰ খিলাফত কালত ৬৭ বছৰ বয়সত হজৰত হাৰছা বিন খজামাহৰ মদিনাত মৃত্যু হৈছিল।

ইয়াৰ পিছৰ জন চাহাবীৰ নাম আছিল হজৰত খনিছ বিন হুযাফা (ৰাঃ)। তেখেতৰ কুনিয়াত আছিল আবু হুযাফা। এখেত (ৰাঃ) য়ে নবী কৰিম (ছাঃ) ৰ দ্বাৰে আৰকামলৈ যোৱাৰ আগতে ইছলাম গ্ৰহন কৰিছিল। তেখেত (ৰাঃ) য়ে সেই মুছলমান সকলৰ লগত আছিল যি সকলে দ্বিতীয় বাৰ হাবশাৰ ফালে হিজৰত কৰিছিল। মদিনালৈ হিজৰত কৰি যোৱাৰ পিছত তেখেত (ৰাঃ) য়ে হজৰত ৰফাআ বিন আব্দুল মনজৰৰ ওচৰত আছিল। আঁহজৰত (ছাঃ) য়ে হজৰত খনিছ আৰু আবু আবু আবছ বিন জবৰৰ মাজত ভাই ভাই বনাই দিছিল। তেখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। উম্মুল মোমিনিন হজৰত হাফচা আঁহজৰত (ছাঃ) ৰ আগত হজৰত খনিজ (ৰাঃ) ৰ নিকাহত আছিল।

হজৰত খনিছ (ৰাঃ) বদৰৰ যুদ্ধৰ পৰা মদিনালৈ ঘুৰি আহোতে বেমাৰত পৰিছিল আৰু সেই অসুখতে তেখেত (ৰাঃ) ৰ মৃত্যু হৈছিল। ইয়াৰ পিছত আঁহজৰত (ছাঃ) য়ে হজৰত হাফচা (ৰাঃ) ক নিজৰ নিকাহত লৈ লৈছিল। হুযুৰ (ছাঃ) য়ে হজৰত খনিজ (ৰাঃ) ৰ নমাজে জানাজা পঢ়াইছিল আৰু তেখেত (ৰাঃ) ক জান্নাতুল বকিত হজৰত উচমান বিন মজউনৰ কাষত কবৰত দফন কৰা হৈছিল।

আন এজন চাহাবী আছিল হজৰত হাৰছা বিন নুমান (ৰাঃ)। আবু আব্দুল্লাহ তেখেতৰ কুনিয়াত আছিল। হজৰত হাৰছা বিন নুমান আনছাৰী চাহাবী আছিল। আনছাৰ কবিলা খজৰজৰ শাখা বনু নজাৰৰ সৈতে এখেতৰ সম্পৰ্ক আছিল। তেখেত (ৰাঃ) য়ে বদৰৰ পৰা লৈ সকলো যুদ্ধতেই আঁহজৰত (ছাঃ) ৰ লগত যোগদান কৰিছিল। জলিলুল কদৰ চাহাবা সকলৰ মাজত তেখেত (ৰাঃ) গণ্য কৰা হৈছিল। হজৰত ইবনে আববাচ বৰ্ণনা কৰিছে যে হজৰত হাৰছা বিন নুমান (ৰাঃ) আঁহজৰত (ছাঃ) ৰ ওচৰেদি গৈ আছিল। তেতিয়া তেখেত (ছাঃ) ৰ ওচৰত হজৰত জিব্ৰাইল (আঃ) বহি আছিল আৰু

তেখেত (ছাঃ) য়ে তেখেতৰ সৈতে মৃদু স্বৰত কথা পাতি আছিল। হাৰছা (ৰাঃ) য়ে তেখেত (ছাঃ) ক ছালাম কৰা নাছিল। জিব্রাইল (আঃ) য়ে সুধিছিল যে তেখেতে কিয় ছালাম দিয়া নাই ? ইয়াৰ পিছত ৰছুলুল্লাহ (ছাঃ) য়ে হাৰছা (ৰাঃ) ক সুধিছিল যে তেতিয়া তুমি কিয় ছালাম কৰা নাছিলা ? হাৰছা (ৰাঃ) য়ে উত্তৰ দিছিল যে মই আপোনাৰ কাষত এজন ব্যক্তিক দেখিছিলো, আপুনী তেখেতৰ লগত মৃদু কন্ঠত কথা পাতি আছিল, মই আপোনালোক দুজনৰ কথোপকথনত যতি পেলাব বিচৰা নাছিলো। আঁহজৰত (ছাঃ) য়ে সুধিছিল যে তুমি সেই ব্যক্তিজনক দেখিছানে যিজনে মোৰ ওচৰত বহি আছিল ? হাৰছা (ৰাঃ)য়ে উত্তৰ দিছিল হয় দেখিছো। তেতিয়া আঁহজৰত (ছাঃ) য়ে কৈছিল যে তেওঁ হ'ল জিব্রাইল (আঃ)। তেওঁ কৈছিল যে যদি এই ব্যক্তিজনে ছালাম দিলেহেঁতেন তেন্তে মই তাক উত্তৰ দিলোহেঁতেন। ইয়াৰ পিছত আকৌ জিব্রাইলে কৈছিল যে এইজন লোক আশী জন লোকৰ এজন। ৰছুলুল্লাহ (ছাঃ) য়ে কৈছিল মই জিব্রাইলক সুধিছিলো যে ইয়াৰ অৰ্থ কি ? উত্তৰত জিব্রাইলে কৈছিল যে এইজন সেই আশীজন মানুহৰে এজন, যি সকলে হুনাইনৰ যুদ্ধত আপোনাৰ লগত বীৰ দৰ্পে থিয় দিছিল। তেখেতৰ অনুগ্ৰহৰাজী (ৰিজিক) আৰু তেখেতৰ সন্তানৰ ৰিজিক জান্নাতত আল্লাহ তায়লাৰ জিম্মাত আছে।

আন এজন চাহাবী আছিল হজৰত বশিৰ বিন ছাআদ (ৰাঃ)। আবু নুৰামান তেখেত (ৰাঃ) ৰ কুনিয়াত (উপাধি) আছিল। তেখেতৰ দেউতাকৰ নাম আছিল ছাআদ বিন শ্বোবলা। খজৰজ কবিলাৰ সৈতে তেখেতৰ সম্পৰ্ক আছিল। হজৰত বশিৰ বিন ছাআদ সেই অজ্ঞ যুগতেই লিখা পঢ়া জানিছিল। তেখেত (ৰাঃ) য়ে বয়াত উকবা ছানিয়াত সত্তৰ আনছাৰৰ লগত চামিল হৈছিল। তেখেত (ৰাঃ) য়ে যুদ্ধ বদৰ, অহুদ, খন্দক আদি কৰি সকলো ৰণতেই আঁহজৰত (ছাঃ)ৰ সৈতে যোগ দিছিল। ৰছুলুল্লাহ (ছাঃ) য়ে ৭ হিজৰীৰ শাবান মাহত হজৰত বশিৰ বিন ছাআদৰ নেতৃত্বত ত্রিছ জন মানুহৰ এটা দল ফিদাক বিন মাৰৰাহৰ ওচৰলৈ পঠাইছিল। এনেদৰে ৭ হিজৰিৰ শ্বৱাল মাহত আঁহজৰত (ছাঃ) য়ে তেখেত (ৰাঃ) ক তিনি শ লোকৰ এটা দলৰ সৈতে ইয়ামিন আৰু জোৱাৰৰ ফালে পঠাইছিল, য'ত গোতফান সকলৰ কিছুমান লোকে আয়েনিয়া বিন হনিছ আল ফাৰাদিৰ লগত লগ লাগি ইছলামৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছিল। হজৰত বশিৰ বিন ছাআদ (ৰাঃ) য়ে তেওঁলোকক দমন কৰিছিল। এটা ৰোৱায়তে আছে যে হজৰত নুৰামান বিন বশিৰ কৈছে যে মোৰ দেউতাকে মোক তেখেতৰ সম্পত্তিৰ পৰা কিছু মোক দিছিল। তেতিয়া মোৰ মাকে কৈছিল, মই তেতিয়া লৈকে এই বিষয়ে সন্মত নহঁও যেতিয়ালৈকে তুমি আঁহজৰত (ছাঃ) ক ইয়াৰ সাক্ষী নবনোৱা। সেয়ে মোৰ দেউতায় আঁহজৰত (ছাঃ) ক মোৰ আতিয়াৰ ওপৰত সাক্ষী ৰাখিবলৈ তেখেত (ছাঃ)ৰ ওচৰলৈ গৈছিল যি তেখেতে মোক দিছিল। ৰছুলুল্লাহ (ছাঃ) য়ে কৈছিল যে তুমি তোমাৰ সকলো সন্তানৰ সৈতে এনেকুৱা কৰিছা নে ? মোৰ দেউতাকে উত্তৰ দিছিল নহয়। তেতিয়া তেখেত (ছাঃ) য়ে কৈছিল যে আল্লাহৰ তাকওয়া ধাৰণ কৰা আৰু নিজৰ সন্তানৰ সৈতে ন্যায় আচৰণ কৰা। মোৰ দেউতাকে ঘুৰি আহিছিল আৰু সেই আতিয়া ঘুৰাই লৈছিল। আঁহজৰত (ছাঃ) য়ে কৈছিল যে মোক সাক্ষী নবনাবা কাৰণ মই অন্যায়ৰ সাক্ষী নিদিওঁ।

হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে এই বিষয়ে ব্যাখ্যা কৰোঁতে কৈছে যে ৰছুলুল্লাহ (ছাঃ) ৰ এই উপদেশ গুৰুত্ব পূৰ্ণ বস্তু সমূহ সম্পৰ্কে আছিল। সৰু সৰু বস্তুৰ বিষয়ে নাছিল। হুযুৰ আনোৱাৰ (আইঃ) য়ে এই মছলাৰ বিতং বৰ্ণনা কৰোঁতে কৈছে যে এজন ল'ৰাৰ আপত্তিৰ বাবে কিয় ৰছুলুল্লাহ (ছাঃ) য়ে তেওঁৰ দেউতাকক কৈছিল যে তুমি তেওঁলোককও এইবোৰ বস্তু দিয়া নহলে এওঁৰ পৰা ঘুৰাই লোৱা। এই বিষয়টোত ৰহস্য হ'ল এয়া যে যেনেকৈ মাক দেউতাৰ আনুগত্য কৰা সন্তানৰ বাবে ফৰজ, তেনেদৰে মাক-দেউতাকেও সকলো সন্তানক একেদৰে মৰম কৰা ফৰজ। কিন্তু যদি মাক-দেউতায় ইয়াৰ বিৰুদ্ধে গৈ কোনো এজন সন্তানৰ প্ৰতি বেছি মৰম দেখুৱাই কাম কৰে তেন্তে এয়া সম্ভৱ যে সন্তানে হয়তো এবাৰ গৈ নিজৰ কৰ্তব্যৰ পৰা গা এৰি দিব পাৰে। অথবা এই দায়িত্ব পালনত অৰ্থাৎ মাক দেউতাকৰ খিদমত কৰাত একো তৃপ্তি উপলব্দি নকৰিব। কিছুমান মানুহৰ এনেকুৱা আচৰণে সন্তানৰ ক্ষতি আৰু মৰম চেনেহৰ বিস্তৰ ক্ষতি সাধন কৰে। যিয়ে মাক দেউতা আৰু সন্তানৰ মাজত দুৰত্ব সৃষ্টি কৰি দিয়ে। সেয়ে ইছলামে এয়া নিষেধ কৰিছে। কিন্তু যদি অচিয়ত কোনো সন্তানৰ নামত অকলে কৰে সেয়াও নাজায়েজ হ'ব। মাজে সময়ে এনেকুৱা অৱস্থাৰ উদ্ভৱ হয় যে ডাঙৰ লৰাজনক উচ্চ শিক্ষাৰে শিক্ষিত কৰিলে কিন্তু সৰু লৰা জনৰ সময়ত চাকৰি ঘুচি গ'ল অথবা উপাৰ্জন

কমি গ'ল  সেয়ে সৰু জনক উচ্চ শিক্ষা দিব নোৱাৰিলে, তেতিয়া তাত কোনো অভিযোগ থাকিব নোৱাৰে। কিন্তু ইয়াৰ বিপৰীতে যদি এজন দেউতায় নিজৰ ডাঙৰ লৰাজনক (যাৰ লৰা ছোৱালী আছে) দু-হেজাৰ টকা দি পৃথক কৰি দিয়ে যে তুমি ব্যাৱসায় এটা কৰি খোৱা কিন্তু যেতিয়া সৰু আনজন লৰাৰ পৰিয়াল হৈ যোৱাত তাক একো নিদিয়ে তেন্তে এয়া নাজায়েজ হ'ব আৰু উচ্চ নীচ আচৰণ হ'ব। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) ৰ খিলাফত কালত চন ১২ হিজৰিত হজৰত বশিৰ (ৰাঃ) হজৰত খলিদ বিন অলিদৰ যুদ্ধ যাত্ৰাৰ (মাৰকাতা আঈন আলতমিৰ) সৈতে যোগদান কৰিছিল আৰু তেখেত (ৰাঃ) য়ে শ্বাহাদত বৰণ কৰিছিল। ৰছুলুল্লাহ (ছাঃ) য়ে যেতিয়া উমৰা কাজাৰ নিমিত্তে সপ্তম হিজৰিৰ জিলকদাহ মাহত যাত্ৰা কৰিছিল তেতিয়া আগতে সৈন্যদল পঠিয়াই দিছিল। হজৰত বশিৰ বিন ছাআদ (ৰাঃ) ক সেই দলৰ নেতা নিযুক্ত কৰিছিল। উমাৰাহ কাজাৰ ব্যাখ্যা কৰোঁতে হুযুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে হুদায়বিয়াৰ সন্দিৰ সময়ত যেতিয়া ৰছুলুল্লাহ (ছাঃ) আৰু তেখেতৰ লগৰীয়া সকলক উমৰা কৰাত বাধা দিছিল, তেতিয়া তাত এটা চৰ্ত এয়াও আছিল যে অহা বছৰ আপুনী আপোনাৰ লগৰীয়া সকলৰ সৈতে উমৰাহ কৰিব পাৰিব। সেই অনুসাৰে অষ্টম হিজৰীত জিলকদাহ মাহত আঁহজৰত (ছাঃ) য়ে ২০০০ চাহাবাৰ সৈতে উমৰাহ কৰিছিল আৰু খানা কাবা তওয়াফ কৰিছিল। সেই তওয়াফৰ দৃশ্য চাই কাফিৰ সকলে সহ্য কৰিব নোৱাৰি পাহাৰৰ ওপৰলৈ গুচি গৈছিল। কিছুমানে ঠাট্টা কৰি কৈছিল যে এওঁলোকে  নো কি তওয়াফ কৰিব, তেওঁলোকক দেখোন ভোক আৰু মদিনাৰ জ্বৰে পিহা দি পিহ কৰিছে।

হুযুৰ (ছাঃ) য়ে চাহাবা সকলক কৈছিল যে নিজৰ বল, শক্তি প্ৰদৰ্শন কৰা আৰু চাদৰ এনেদৰে বান্ধি লোৱা যাতে দেখাত বলবান যেন লাগে আৰু বাহু জোকাৰি তওয়াফ কৰা। ইয়াক আৰবীত ৰমিল বোলা হয়। এই চুন্নত আজিও প্ৰচলিত আছে আৰু কিয়ামত লৈকে থাকিব। হুযুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে ৰোৱায়েতত আছে যে আঁহজৰত (ছাঃ) য়ে নিজৰ জীৱণত চাৰি উমৰাহ আৰু এবাৰ হজ্ব কৰিছিল।

হজৰত বশিৰ বিন ছাআদ (ৰাঃ) আনছাৰ সকলৰ প্ৰথম জন ব্যক্তি আছিল যিজনে সকলো আনছাৰৰ আগতে আবু বক্কৰ ছিদ্দিক (ৰাঃ) ৰ হাতত ছকিফা বণু ছাআদৰ দিন বয়াত কৰিছিল। ছকিফা বণু ছাআদাহ কি ? এই বিষয়ে বৰ্ণনা কৰোঁতে হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ইয়াতেই নবী কৰিম (ছাঃ) ৰ মৃত্যুৰ পিছত ছকিফা বণু ছাআদাহত বণু খজৰজ নবী (ছাঃ) ৰ উত্তৰাধীকাৰী হোৱা সম্পৰ্কে বৈঠক অনুষ্ঠিত হৈছিল। এই বৈঠকৰ খবৰ হজৰত উমৰ (ৰাঃ)ক দিয়া হৈছিল আৰু লগতে কোৱা হৈছিল যে মুনাফিক আৰু আনছাৰ সকলৰ কাৰণে বিবাদৰ সৃষ্টি যেন নহয়। তেতিয়া হজৰত উমৰ ফাৰুক (ৰাঃ) য়ে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক লগত লৈ ছকিফা বণি ছাআদা লৈ গৈছিল। তাত গৈ গম পাইছিল যে বণু খজৰজ উত্তৰাধীকাৰী হোৱাৰ দাবী কৰিছে আৰু বণু আউচ তাৰ বিৰুদ্ধ চাৰণ কৰি আছে। সেই সময়ত এজন আনছাৰী চাহাবীয়ে নবী কৰিম (ছাঃ) ৰ এই কথাখিনি মনত পেলাই দিছিল যে শাসক দেখোন কুৰাইছ সকলৰ ফালৰ পৰা হ'ব। যিজন এই বিৰ্তকৰ সময়ত লোকৰ হৃদয়ত উন্মোচিত হ'বলৈ লৈছে। আনছাৰ সকলে নিজৰ দাবী ত্যাগ কৰি অতি সোনকালে সকলোৱে আবু বক্কৰৰ খিলাফতৰ ওপৰত বয়াত কৰিছিল।

তেতিয়া হজৰত আবু মাছউদ আনছাৰী (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে এবাৰ মই ছাআদ বিন আবাদাৰ বৈঠকত উপস্থিত আছিলো তেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে আমাৰ ওচৰলৈ আহিছিল আৰু হজৰত বশিৰ (ৰাঃ) য়ে তেখেত (ছাঃ) ৰ ওচৰত কৈছিল যে আল্লাহ তায়লা আমাক আদেশ দিছে যে আমি আপোনাৰ ওপৰত দৰূদ পাঠ কৰো, তেন্তে আমি আপোনাৰ ওপৰত কেনেকৈ দৰূদ পঠাম ? ৰাৱী কৈছে উক্ত প্ৰশ্নৰ উত্তৰত ৰছুলুল্লাহ (ছাঃ) কৈছিল যে এয়া ক'বা যে - ''আল্লাহুম্মা ছাল্লি আলা মুহাম্মাদিও ওয়া আলা আলি মুহাম্মাদিন কামা ছাল্লায়তা আলা আলি ইব্ৰাহিমা ওয়া বাৰিক আলা মুহাম্মাদিও ওয়া আলা আলি মুহাম্মাদিন কামা বাৰাকতা আলা আলি ইব্ৰাহিমা ফিল আলামিনা ইন্নাকা হামিদুম মাজিদ'' আৰু ছালাম সেই দৰে কৰিবা যেনেদৰে তোমালোকে জানা যে ছালাম কেনেকৈ কৰিব লাগে। আল্লাহুম্মা ছাল্লি আলা মুহাম্মাদিও ওয়া আলা আলি মুহাম্মাদিও ওয়া বাৰিক ওয়া ছাল্লিম ইন্নাকা হামিদুম মাজিদ।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে মই আপোনালোকক দোৱা কৰিবলৈ কৈছো কাৰণ কেইদিনমান আগত

বাংলাদেশত বিবাদী সকলে আহমদী সকলৰ ঘৰ আৰু দোকান আদিৰ ওপৰত আক্ৰমণ চলাই কেইবাটাও ঘৰ জ্বলাই দিছে, কিছুমান দোকান লুট কৰি লৈ জুই লগাই দিছে। তাত কিছুমান আহমদী লোকে ঘাইলও হৈছে। দোৱা কৰিব যাতে আল্লাহ তায়লা সেই ঠাইৰ অৱস্থা শান্ত কৰে আৰু যি সকলে আঘাত প্ৰাপ্ত হৈছে তেওঁলোকে যেন অতি সোনকালে আৰোগ্য লাভ কৰে। তেওঁলোকৰ  ক্ষয়-ক্ষতি যেন আকৌ পুৰণ হৈ যায় আৰু তাত যেন শান্তি পূৰ্ণ ভাৱে জলছা কৰিব পাৰে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে নমাজৰ পিছত এটা জানাজা গায়েব পঢ়া হ'ব। সেয়া মকৰমা ছাদিকা বেগম চাহিবাৰ জানাজা। তাই দিনিয়াপুৰ পাকিস্থানৰ বাসিন্দা আছিল। এখেতে লায়েক আহমদ মুছতাক চাহাবৰ (মোবাল্লিগ ইনচাৰ্জ দক্ষিণ আমেৰিকা) মাতৃ আছিল আৰু শ্বেখ মুজাফৰ আহমদ চাহাবৰ পত্নী আছিল। ২০১৯ চনৰ ১ ফেব্ৰুৱাৰী ৭৪ বছৰ বয়সত তাই ইহঁলীলা সম্বৰণ কৰিছে। (ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন)।

হুযুৰ আনোৱাৰ (আইঃ) য়ে মৰহুমৰ পবিত্ৰ জীৱণ চৰিতৰ চমু বৰ্ণনা দি তাইৰ বাবে দোৱা কৰে যে আল্লাহ তায়লা মৰহুমাৰ সৈতে ক্ষমা আৰু দয়াৰ আচৰণ কৰক আৰু তাইৰ পৰমাত্মাৰ মৰ্যদা উন্নীত কৰক। মৰহুমাই এৰি থৈ যোৱা সন্তান সকলক তাইৰ নেকি জাৰি ৰখাৰ তৌফিক দান কৰক । আল্লাহ তায়লা তাইৰ হকে সমুহ দোৱা কবুল কৰি লওঁক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 15 Feb..2019**

**(BOOK POST PRINTED MATTER)**

**To**

-----------------------------------------------------------------------

-----------------------------------------------------------------------

-----------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844